**উমৰাহ খাটুন**

**বনাম**

**মঃ জাফিৰ খান আৰু অন্যান্য**

১৬ ডিচেম্বৰ, ১৯৯৬

[ন্যায়াধীশ এন. পি. সিংহ আৰু ন্যায়াধীশ বি. এল. হানছাৰিয়া]

*ইজমেণ্ট (স্বাচ্ছন্দ্য) আইন, ১৮৮২ – ধাৰা ১৫ – প্ৰশ্নৰ আৱৰ্তত থকা মাটিৰ ওপৰত নলাৰ পানী নিৰ্গত কৰাৰ অধিকাৰ – দীঘলীয়া সময়ৰ বাবে এনে নিৰ্গতকৰণৰ ভিত্তিত দাবী – ৰায় দিয়া হল যে দাবী গ্ৰহণযোগ্য।*

*অনুশীলন আৰু পদ্ধতি – কাৰিকৰী আবেদন –গোচৰটো বিচাৰ্য বিষয় হিচাপে উপস্থাপন কৰাৰ অসমৰ্থতা – আইনী প্ৰশ্ন – উচ্চতম ন্যায়ালয়ৰ সন্মুখত প্ৰথম বাৰৰ বাবে উত্থাপন কৰা – বাদীৰ দ্বাৰা গোচৰাধীন পথৰ ওপৰত অধিকাৰ সাব্যস্তকৰণ আৰু তাৰ বিকল্প স্বৰূপে বিবাদীৰ মাটিৰ ওপৰত নলাৰ পানী নিৰ্গত কৰাৰ স্বাচ্ছন্দ্যৰ অধিকাৰৰ দাবী – বিচাৰ আদালত তথা প্ৰথম আপীল আদালতৰ দ্বাৰা স্বাচ্ছন্দ্যৰ অধিকাৰৰ দাবী গ্ৰহণ– কিন্তু উচ্চ ন্যায়ালয়ে স্বাচ্ছন্দ্যৰ অধিকাৰৰ দাবী নাকচ কৰে কিয়নো এয়া কেৱল আবেদনৰ অংশৰ কৌশলগত প্ৰস্তুতকৰণৰ ফলশ্ৰুতিতহে হৈছিল আৰু বাদীয়ে দৰাচলতে মাটিৰ স্বত্বাধিকাৰহে দাবী কৰিছিল – উচ্চতম ন্যায়ালয়ৰ সন্মুখত গোচৰটো বিচাৰ্য বিষয় হিচাপে উপস্থাপন কৰাৰ বাবে অসমৰ্থ বুলি উত্থাপন কৰা হৈছিল – গোচৰটো কাৰিকৰী প্ৰকৃতিৰ হোৱা বাবে বিবাদীয়ে যুক্তিপূৰ্ণভাৱে*

*পৰাজিত হোৱাৰ পাছত উত্থাপন কৰা হৈছিল – আইনৰ স্বাৰ্থত এনে আবেদনৰ অনুমতি দিয়া নহয়।*

**আবেদনকাৰীয়ে নলাৰ পানী নিৰ্গত কৰাৰ বাবে গোচৰাধীন পথ ব্যৱহাৰৰ অৰ্থে স্বাচ্ছন্দ্যৰ অধিকাৰ লাভ কৰাৰ ঘোষণাৰ বাবে এক গোচৰ তৰিছিল। বিচাৰ আদালতে গোচৰৰ ৰায় দিছিল আৰু প্ৰথম আবেদনত ইয়াৰ নিশ্চিতকৰণো হৈ গৈছিল। দ্বিতীয় আবেদনত উচ্চ ন্যায়ালয়ে কেৱল এই ভিত্তিত বাদীৰ গোচৰ খাৰিজ কৰিছিল যে আবেদনৰ দফা নং ৭–ত বাদীয়ে গোচৰাধীন মাটিৰ স্বত্বাধিকাৰৰ দাবী কৰিছিল যদিও স্বত্বৰ ওপৰত ভিত্তি কৰি সাহায্যৰ অনুৰোধ কৰা হোৱা নাছিল। এয়া আবেদনৰ অংশৰ কৌশলগত প্ৰস্তুতকৰণৰ ফলশ্ৰুতিতহে হৈছিল আৰু যিহেতু আবেদনকাৰীয়ে তেওঁৰ মাটিৰ স্বত্বাধিকাৰ প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হ'ল, সেয়েহে তেওঁ পুনৰাই স্বাচ্ছন্দ্যৰ ভিত্তিত সাহায্য দাবী কৰিব নোৱাৰিলে। সেয়েহে, এই আবেদন দাখিল কৰা হৈছে।**

**উত্তৰদাতাৰ যুক্তি আছিল যে উচ্চ ন্যায়ালয়ে সঠিক সিদ্ধান্ত গ্ৰহণ কৰিছিল যে গোচৰকাৰীয়ে দাখিল কৰা গোচৰ বিচাৰ্য বিষয় হিচাপে উপস্থাপন কৰাৰ বাবে গ্ৰহণযোগ্য নহয়। আবেদনকাৰীয়ে যুক্তি আগবঢ়াইছিল যে উচ্চ ন্যায়ালয়ে এই ভিত্তিত গোচৰটো খাৰিজ কৰা নাই কাৰণ অভিযোগটোৰ দফা নং ৭–ৰ বিবৃতিৰ ক্ষেত্ৰত ইয়াৰ পঠন পৃথকে নহ'বও পাৰে, বৰঞ্চ ইয়াক অভিযোগটোৰ অন্য বিবৃতিসমূহৰ সৈতেও বিবেচনা কৰিব পাৰি। এয়া প্ৰদৰ্শন কৰা হৈছিল যে স্বাচ্ছন্দ্যৰ অধিকাৰ লাভ কৰাৰ ভিত্তিত সাহায্য বিচৰা হৈছিল আৰু কেৱল অভিযোগটোত স্বত্ব সন্দৰ্ভতো কিছুমান দাবী কৰা হোৱাৰ বাবেই তেওঁ এনে অধিকাৰৰ পৰা বঞ্চিত নহ'বও পাৰে।**

**আবেদন মঞ্জুৰ কৰি এই আদালতে**

**ৰায় দিছিল যে : ১) গোচৰটো বিচাৰ্য বিষয় হিচাপে উপস্থাপন কৰাৰ বাবে গ্ৰহণযোগ্যতা নোহোৱাৰ ভিত্তিত খাৰিজ কৰাটো ন্যায়সংগত আৰু সঠিক নহ'ব। গোচৰটো বিচাৰ্য বিষয় হিচাপে উপস্থাপন কৰাৰ বাবে গ্ৰহণযোগ্যতা নোহোৱাৰ আবেদন পূৰ্বৱৰ্তী আদালতত প্ৰথমবাৰৰ বাবে উপস্থাপন কৰা এক আইনী প্ৰশ্ন আছিল আৰু সেয়াও বিবাদীয়ে যুক্তিপূৰ্ণভাৱে পৰাজিত হোৱাৰ পাছতহে আছিল আৰু সেই একেখিনিৰেই অনুমতি প্ৰদান কৰাটোৱে ন্যায়ব্যৱস্থাক অগ্ৰগতি প্ৰদান নকৰে। গোচৰটো বিচাৰ্য বিষয় হিচাপে উপস্থাপন কৰাৰ বাবে গ্ৰহণযোগ্য হোৱাৰ আবেদন দৰাচলতে এক কাৰিকৰী আবেদন আৰু কাৰিকৰী ভিত্তিত ন্যায়িক কাৰ্যাৱলী ব্যাহত কৰাৰ অনুমতি প্ৰদান কৰা উচিত নহয়। [১১৯-এ-বি]**

**২) বাদী-আবেদনকাৰীয়ে পথটোৰ ওপৰত সঁচাকৈয়ে স্বত্বাধিকাৰৰ দাবী কৰিছিল আৰু তাৰ বিকল্প হিচাপে যুক্তি আগবঢ়াইছিল যে যদি তেওঁৰ স্বত্বাধিকাৰ গ্ৰহণ কৰা নহয়, তেন্তে তেওঁ যিকোনো ক্ষেত্ৰত নলাৰ পানী নিৰ্গত কৰাৰ স্বাচ্ছন্দ্যৰ অধিকাৰ লাভ কৰিছে। বাদীৰ স্বত্বাধিকাৰৰ দাবী গ্ৰহণ কৰা নহ'লেও তেওঁৰ স্বাচ্ছন্দ্যৰ অধিকাৰৰ দাবী বিচাৰ আদালতৰ উপৰিও প্ৰথম আপীল আদালতৰ দ্বাৰাও গ্ৰহণ কৰা হৈছিল। সামগ্ৰিক তথ্যৰ ভিত্তিত বাদীক গোচৰাধীন মাটিৰ ওপৰত নলাৰ পানী নিৰ্গত কৰিবলৈ অনুমতি প্ৰদান কৰাটো সেয়া অস্বীকাৰ কৰাতকৈ অধিক ন্যায়সঙ্গত, যিহেতু এয়া জানিব পৰা গৈছে যে আচলতে তেওঁ বহু বছৰ ধৰি ৰাস্তাটোৰে নলাৰ পানী নিৰ্গত কৰি আহিছে। [১১৮-ডি; এফ; ১১৯-চি-ডি]**

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : ১৯৮৮-ৰ দেৱানী আবেদন সংখ্যা ৩৯৬২।

১৯৮১-ৰ আপীল আদেশ সংখ্যা ৬৭২-ৰ আবেদনত পাটনা উচ্চ ন্যায়ালয়ৰ ১৪.১১.৮৩ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ এচ. বি. সন্যাল আৰু এম. পি. ঝা।

উত্তৰদাতা নং ১, ৩-৫ আৰু ৭-ৰ হৈ ডি. পি. মুখাৰ্জী।

আদালতৰ ৰায়দান প্ৰদান কৰিছিল

**ন্যায়াধীশ হানছাৰিয়াই** : এই আবেদন উত্তৰদাতা নং ১-এ দাখিল কৰা গোচৰৰ পৰা উদ্ভৱ হৈছে য'ত মূল প্ৰাৰ্থনা আছিল গোচৰাধীন পথটো নলাৰ পানী নিৰ্গত কৰিবলৈ ব্যৱহাৰ কৰাৰ বাবে তেওঁ স্বাচ্ছন্দ্যৰ অধিকাৰ লাভ কৰাটো ঘোষণা কৰা। বিচাৰ আদালতে গোচৰটোৰ ৰায় দিয়ে আৰু বিবাদীয়ে আবেদন কৰাত সেয়া খাৰিজ কৰা হয়। উচ্চ ন্যায়ালয়ত পুনৰাই আবেদন কৰাত গোচৰটো কেৱল এই ভিত্তিত খাৰিজ কৰা হয় যে গোচৰটোৰ দফা নং ৭-ত উত্তৰদাতাই এক বিবৃতি দিছিল যে "গোচৰাধীন মাটি ১৯১৮-ৰ পৰাই আছে আৰু সেয়া বাদীৰ ঘৰৰ অন্তৰ্গত"। উচ্চ ন্যায়ালয়ে মতামত প্ৰদান কৰে যে এই বিবৃতিয়ে প্ৰদৰ্শন কৰে যে বাদীয়ে গোচৰাধীন মাটিৰ স্বত্বাধিকাৰ দাবী কৰিছিল যদিও তেনে কোনো স্বত্বৰ ওপৰত ভিত্তি কৰি সাহায্য অনুৰোধ কৰা হোৱা নাছিল। উচ্চ ন্যায়ালয়ৰ মতে এয়া আবেদনৰ অংশৰ কৌশলগত প্ৰস্তুতকৰণৰ ফলাফল আছিল। এই আদালতৰ *চাপিসিভাই ধাঞ্জিভাই ডাণ্ড বনাম পুৰুষোত্তম,* এ.আই.আৰ. (১৯৭১) এচ.চি. ১৮৭৮ ৰায়দানৰ ওপৰত নিৰ্ভৰ কৰাৰ পাছত উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তত উপনীত হৈছিল যে যিহেতু বাদী-উত্তৰদাতাই স্বত্বাধিকাৰ সাব্যস্ত কৰাত ব্যৰ্থ হ'ল, গতিকে তেওঁ পুনৰাই স্বাচ্ছন্দ্যৰ ভিত্তিত সাহায্যৰ দাবী কৰিব নোৱাৰে।

২) উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ পঠনৰ পৰা এয়া দেখা যায় যে ই দফা নং ৭-ৰ উপৰোক্ত বিবৃতিৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল য'ত দাখিল কৰা হৈছিল যে বিবৃতিটো পৃথককৈ বিবেচনা কৰাৰ পৰিৱৰ্তে গোচৰটোৰ অন্য বিবৃতিসমূহৰ সৈতে বিবেচনা কৰিব পাৰি, য'ত এয়া দেখা যায় যে সঁচাকৈয়ে স্বাচ্ছন্দ্যৰ অধিকাৰ লাভ কৰাৰ ভিত্তিত সাহায্য বিচৰা হৈছিল। কিন্তু আমি সমস্ত গোচৰটো চকু ফুৰাই বিচাৰি পালো যে বাদীয়ে সঁচাকৈয়ে পথটোৰ ওপৰত স্বত্বাধিকাৰ দাবী কৰিছিল আৰু তাৰ বিকল্প হিচাপে যুক্তি আগবঢ়াইছিল যে যদি তেওঁৰ স্বত্বাধিকাৰ গ্ৰহণ কৰা নহয়, তেন্তে তেওঁ যিকোনো ক্ষেত্ৰত নলাৰ পানী নিৰ্গত কৰাৰ স্বাচ্ছন্দ্যৰ অধিকাৰ প্ৰাপ্ত কৰিছে।

৩) প্ৰথম আপীল ৰায়দানৰ এক পঠনে এয়া দৰ্শায় যে বাদীয়ে মাটিৰ ওপৰত তেওঁৰ স্বত্বাধিকাৰৰ হকে ইমানেই যুঁজিছিল যে মাটিখিনি বাদীৰ মাটিৰ ভূমিখণ্ড সংখ্যা ৬৫০-ৰ অংশ হয় নে বিবাদীৰ মাটিৰ ভূমিখণ্ড সংখ্যা ৬৪৯-ৰ সৈতে সংযুক্ত, সেয়া নিৰ্ধাৰণ কৰিবলৈ এগৰাকী উকীল-আয়ুক্তক নিযুক্তি দিয়া হৈছিল।

৪) বাদীৰ স্বত্বাধিকাৰৰ দাবী এনে কিছু কাৰণৰ বাবে গ্ৰহণ কৰা নহ'ব পাৰে যিবোৰ দৰ্শোৱা নহ'বও পাৰে। কিন্তু স্বাচ্ছন্দ্যৰ অধিকাৰৰ বাবে বাদীৰ দাবী বিচাৰ আদালতৰ উপৰিও প্ৰথম আপীল আদালতৰ দ্বাৰাও গ্ৰহণ কৰা হৈছিল।

৫) গতিকে, উদ্ভৱ হোৱা প্ৰশ্নটো হৈছে যে যদিও স্বাচ্ছন্দ্যৰ অধিকাৰৰ বাবে বাদীৰ দাবী গ্ৰহণ কৰা হৈছে, তথাপিও যিহেতু তেওঁ পথটোৰ ওপৰতো স্বত্বাধিকাৰো দাবী কৰিছে, সেয়ে তেওঁ সামগ্ৰিকভাৱে পৰাজিত হ'ব লাগে নে নাই। উত্তৰদাতাৰ অধিবক্তা শ্ৰী মুখাৰ্জীয়ে অনুৰোধ কৰিছিল যে উচ্চ ন্যায়ালয়ে সঠিক সিদ্ধান্ত লৈছিল যিহেতু দাখিল কৰা গোচৰ সঁচাকৈয়ে বিচাৰ্য বিষয় হিচাপে উপস্থাপন কৰাৰ বাবে গ্ৰহণযোগ্য নাছিল। বিজ্ঞ অধিবক্তাগৰাকীয়ে মত পোষণ কৰিছিল যে যদিও উচ্চ

ন্যায়ালয়ে এই ভিত্তিত গোচৰটো খাৰিজ কৰা নাছিল, তথাপিও এইটোৱেই উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ সাৰমৰ্ম আছিল। আনহাতে শ্ৰী সন্যালৰ যুক্তি আছিল যে যিহেতু চূড়ান্তভাৱে বাদীয়ে স্বাচ্ছন্দ্যৰ অধিকাৰ বিচাৰিছিল, সেয়েহে কেৱল অভিযোগটোত স্বত্ব সন্দৰ্ভতো কিছু বিবৃতি দিয়াৰ বাবেই তেওঁ এই অধিকাৰৰ পৰা বঞ্চিত নহ'বও পাৰে।

৬) আমি যথাযথভাৱে প্ৰতিদ্বন্দ্বীদ্বয়ৰ যুক্তিসমূহ চালি-জাৰি চালোঁ আৰু আমাৰ মত অনুসৰি গোচৰটো বিচাৰ্য বিষয় হিচাপে উপস্থাপন কৰাটো গ্ৰহণযোগ্য নোহোৱাৰ ভিত্তিত খাৰিজ কৰাটো ন্যায়সংগত আৰু সঠিক নহ'ব। ইয়াত কোনো সন্দেহ নাই যে বিচাৰ্য বিষয় হিচাপে উপস্থাপন কৰাৰ গ্ৰহণযোগ্যতা নথকাৰ আবেদন এক আইনী প্ৰশ্ন, কিন্তু আগৰ আদালতত প্ৰথমবাৰৰ বাবে উপস্থাপন হওঁতে তথা বিবাদীয়ে যুক্তিপূৰ্ণভাৱে পৰাজিত হোৱাৰ পাছতহে একেটাৰে অনুমতি প্ৰদান কৰাটোৱে ন্যায়ব্যৱস্থাক অগ্ৰগতি প্ৰদান নকৰে; বৰঞ্চ ই তাক বাধাহে প্ৰদান কৰে, যিহেতু গোচৰটো বিচাৰ্য বিষয় হিচাপে উপস্থাপন কৰাটো গ্ৰহণযোগ্য হোৱাৰ আবেদন দৰাচলতে এক কাৰিকৰী আবেদন আৰু কাৰিকৰী ভিত্তিত ন্যায়িক কাৰ্যাৱলী ব্যাহত কৰাৰ অনুমতি প্ৰদান কৰা উচিত নহয়।

৭) সামগ্ৰিক তথ্য তথা তিনিখন নিম্ন আদালতত চলা বিচাৰ প্ৰক্ৰিয়াৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ দৃষ্টিভংগী এই যে বাদীক গোচৰাধীন মাটিৰ ওপৰত নলাৰ পানী নিৰ্গত কৰিবলৈ অনুমতি প্ৰদান কৰাটো সেয়া অস্বীকাৰ কৰাতকৈ অধিক ন্যায়সঙ্গত, যিহেতু এয়া জানিব পৰা গৈছে যে আচলতে তেওঁ বহু বছৰ ধৰি ৰাস্তাটোৰে নলাৰ পানী নিৰ্গত কৰি আহিছে।

৮) সেয়েহে আমি এই আবেদন মঞ্জুৰ কৰিলোঁ, উচ্চ ন্যায়ালয়ৰ বিতর্কিত আদেশ খাৰিজ কৰিলোঁ আৰু প্ৰথম আপীল আদালতৰ ৰায়দান পুনৰাই অধিস্থিত কৰিলোঁ যাৰ দ্বাৰা ই বিচাৰ আদালতৰ আদেশ সুনিশ্চিত কৰিছিল। গোচৰটোৰ তথ্য তথা পৰিস্থিতিসমূহলৈ লক্ষ্য ৰাখি আমি দুয়োপক্ষক তেওঁলোকৰ নিজ নিজ খৰছ বহন কৰিবলৈ অৱকাশ দিলো।

আবেদন মঞ্জুৰ কৰা হ'ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ'ব।

সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")